ব্যতিক্ৰম

প্লেইনফিন মিদচিপমেন নামৰ সাগৰীয় প্ৰজাতিৰ মতা মাছবোৰে সাধাৰণতে প্ৰশান্ত উপকূলীয় পানীত বাস কৰে। ইহঁতে মাইকী মাছবোৰক দৃষ্টি আকৰ্ষণ কৰাৰ কৌশল হিচাপে প্ৰজননৰ সময়ত অপাৰ্থিৱ শব্দৰে মাজনিশা 'প্ৰেম সংগীত' গায়। বিজ্ঞানীসকলে আৱিষ্কাৰ কৰিব পৰা নাছিল কিহে মাছবিধক মাজনিশা প্ৰেমসংগীত গাবলৈ উদ্বুদ্ধ কৰে। বৈজ্ঞানিকৰ বাবে এয়া হৈ ৰৈছিল প্ৰকৃতিৰ বিস্ময়কৰ সাঁথৰ। কিন্তু এটা নতুন গৱেষণাত অলপতে এই ৰহস্য যথেষ্ট পৰিমাণে উদ্‌ঘাটন কৰিব পৰা গৈছে।

গৱেষণাগাৰৰ পৰীক্ষাই দেখুৱাইছে মাছবিধৰ কণ্ঠধ্বনি কম কম্পনাংকৰ গুণগুণনিৰ দৰেই। এই গুণগুণনিবোৰৰ লগত যেন জাহাজক কুঁৱলীৰ সংকেত দিয়া চাইৰেণৰ যথেষ্ট মিল আছে। ইয়াক লাহে লাহে চলা ঘড়ীয়ে নিয়ন্ত্ৰণ কৰে। গৱেষকসকলে আৰু কয় যে 'মেলাটনিন' নামৰ হৰম'নবিধ মাছবিধৰ শুই থকা আৰু সাৰ পাই থকাৰ আৱৰ্তনচক্ৰ নিয়ন্ত্ৰণ কৰে। কৰ্ণেল বিশ্ববিদ্যালয়ৰ স্নায়ুজীৱতত্ত্ব আৰু আচৰণ বিভাগৰ অধ্যাপক এণ্ড্ৰিউ বেচে কয়—'সামুদ্ৰিক পৰিৱেশত ইহঁতৰ কণ্ঠধ্বনিৰ প্ৰগতিক তিমিমাছ আৰু ডলফিনৰ লগতহে তুলনা কৰিব পাৰি।' তেওঁ আৰু কয়—'কণ্ঠধ্বনিৰ সংকেতৰ সৃষ্টি আৰু শুনা কাৰ্যই সামাজিকভাৱে বিনিময় আৰু যৌন ব্যৱহাৰত কেন্দ্ৰীয় ভূমিকা গ্ৰহণ কৰে।' ৩৮ ছেঃ মিঃপৰ্যন্ত দীঘল হোৱা প্লেইনফিন মিদচিপমেনবিলাক সাধাৰণতে জলফাই, মুগা বৰণীয়া হয়। মতা মাছবিলাক বসন্ত আৰু বৰ্ষা ঋতুত উপকূলৰ আঁতৰৰ অৰ্থাৎ সাগৰৰ গভীৰ গৰ্ভৰ পৰা কম পানীলৈ পৰিভ্ৰমণ কৰে। তাতে ইহঁতে শিলাময় আশ্ৰয়স্থলীৰ তলত বাহ সাজে। নিজৰ পেটত থকা বায়ুভৰ্তি মোনা কঁপাই ইহঁতে গোটেই নিশা গুণগুণনিৰ সৃষ্টি

এক মিনিটৰ গল্প

# সাপ

— জিতুমণি পাঠক

নিয়ৰৰ নিথৰ দেহটো সাৱটি এক প্ৰস্তৰ খণ্ডৰ দৰে বহি ৰৈছে নিজৰা। কোনোবাই এবাৰ-দুবাৰ আঁজুৰি নিয়ৰক তাইৰ হাতৰ পৰা আঁতৰাই আনিব খুজিছিল। কিন্তু শিল হৈ পৰা বজ্ৰ কঠিন হাতৰ ওচৰত হাৰ মানি বাকী হাতবোৰ ৰৈ গৈছিল। চাৰিওফালে এক সেমেকা পৰিৱেশৰ সৃষ্টি হৈছিল। মহিলাবোৰে নিয়ৰৰ ক্ষত-বিক্ষত শৰীৰটো দেখি সশব্দে উচুপি উঠিছিল। কোনোবা অজানক উদ্দেশ্যি অভিশাপ বৰ্ষিত হৈছিল। কিন্তু এই সকলোবোৰৰ মাজতো নিৰ্বাক-নিস্পন্দ হৈ বহি ৰৈছিল নিজৰা এটুকুৰা শিলৰ দৰে।

জুৰিটিৰ দৰে খিল খিলাই বৈ থকা নিয়ৰকণাজনীয়ে আৰু মাথোঁ দুদিন পাছত পাঁচ বছৰত ভৰি দিলে হয়। কিন্তু তাইক সেই দিনটোও চাবলৈ নিদিলে। গোটেই গাঁওখনৰ মানুহ গুজৰি-গুমৰি আছে। সেই নৰপশুটোক পালে এতিয়াই যেন ফালি-ছিৰি নেফানেফ কৰি পেলাব। নকৰিবই বা কিয়? এই নিয়ৰকণাজনী কম মৰমৰ আছিল আটাইৰে। বাটেৰে পাৰ হৈ যোৱা সকলোকে ককা, খুৰা, মামা মাতি আপোন কৰি পেলাইছিল।



নিজৰাৰ মাকে প্ৰায়ে কৈছিল এইজনীৰ মুখ লাগিব দেই মানুহৰ। মৰম কৰা মানুহবোৰৰ মুখ লগা হ'লে ভালেই আছিল। কিন্তু এটা হিংস্ৰ শ্বাপদে ছিৰাছিৰ কৰি পেলালে তাইৰ ফুলকুমলীয়া দেহটো।

নিজৰাৰ মাকে আহি পৰিৱেশটোত আৰু আৰ্দ্ৰতা সানি দিলে। উচুপনিবোৰ এইবাৰ হুৰাহুৰ কান্দোনলৈ পৰিৱৰ্তন হ'ল। নিজৰ নাতিনীয়েকৰ ৰক্তাক্ত শৰীৰটো নিজৰ বুকুৰ মাজলৈ শেষবাৰলৈ টানি ল'বলৈ চেষ্টা কৰিলে। কিন্তু নিজৰাৰ হাত দুখন পূৰ্বৰ দৰে কঠিন হৈয়েই থাকিল। মাকজনী কান্দি কান্দি নিজৰাৰ ভৰিৰ কাষতে বাগৰি পৰিল। মুখেৰে অনৰ্গল কিবা বিৰবিৰাই থাকিল।

বিৰবিৰণিখিনি যেন লাহে লাহে গো গোৱনিলৈ পৰিৱৰ্তন হ'ল। গধূলি সময়ত চোতাললৈ ওলাই আহি সেই গো গোৱানিটো শুনি ভিতৰলৈ কঁপি উঠিছিল নিজৰাই। পাগলৰ দৰে তাই দৌৰি গৈছিল কাষৰ জাৰণিখনলৈ। এটা ছায়া মূৰ্তিয়ে হঠাৎ তাইক দেখি হতচকিত হৈ ৰৈ গৈছিল। তাৰ পাছত জাৰণিখন জঁপিয়াই পাৰ হৈ আন্ধাৰত মিলি গৈছিল। আন্ধাৰতো জিলিকি উঠিছিল তাৰ চকুত এক পাশৱিক ক্ৰুৰতা। ডিঙি কটা মুৰ্গীটোৰ দৰে ছটফটাই থকা নিয়ৰৰ দেহাটো সাৱটি তাই প্ৰচণ্ড জোৰেৰে আটাহ পাৰি উঠিছিল। কালসন্ধিয়াৰ সময়কণত তাইৰ সেই হৃদয়ভেদি আৰ্তনাদত গোটেই গাঁওখনেই যেন কঁপি উঠিছিল।

মাকজনীয়ে নিজৰাৰ ভৰিৰ কাষত পৰি কিবা বিৰবিৰায়ে আছিল। প্ৰায় অৰ্ধচেতন হৈ পৰা নিজৰাৰ মাকক কেইগৰাকীমান মহিলাই দাঙি থিয় কৰাই দিলে। কেইগৰাকীমানে তেওঁক নিজৰাৰ কাষৰ পৰা আঁতৰাই আনিবলৈ চেষ্টা কৰিলে। মাকৰ মুখৰ পৰা তেতিয়াও অনৰ্গল কিবা কথা ওলাইয়ে আছিল। ফাঁচী হ'ব লাগে তাৰ। জ্বলাই মাৰিব লাগে। হঠাৎ যেন নিজৰাৰ নিস্প্ৰাণ শৰীৰটোত প্ৰাণ স্পন্দন ঘটিল। ৰক্তবৰ্ণ চকু দুটাৰে মূৰ তুলি তাই মাকলৈ চালে। তাইৰ ৰক্তবৰ্ণ চকু দুটাত যেন অগ্নি বৰষিছিল। পাৰিব তাইৰ মাকে ফাঁচী দিব, পুৰি মাৰিব নিজৰ পুতেকক? তাই সহায় অজলা বুলি ভাবি থকা ভায়েকটোক যাৰ দুচকুত তাই সন্ধিয়াৰ আন্ধাৰতো জ্বলি উঠা দেখিছিল এক পাশৱিক ক্ৰুৰতা।

ফোন: ৯৮৫৪০১৮১১৭